ISSN 2319-7366

# সংহতি

# SANGHATI

7th Year, Vol. - I, March 2019

সাহিত্য, সংস্কৃতি আৰু সমাজ-বিজ্ঞান বিষয়ক তিনিমহীয়া গৱেষণা পত্ৰিকা

A Quarterly Research Journal on Literature, Culture and Social Science

সম্পাদক

ড° হৰ কুমাৰ নাথ

Principal
Mayang Anchalik College
Date..................

ıte Open University &
Dept., G.U.
ept.

e, New Delhi.

Economics & Interna-

ani.
ani.

t. (Rtd.)

Rtd.).

ge.

# সূচীপত্ৰ


- সম্পাদকীয়
- চৰ্যাগীত ঃ এটি ভাষাতাত্ত্বিক বিশ্লেষণ
  *ড° প্ৰফুল্ল কুমাৰ নাথ* — ১
- বসন্ত উৎসৱ বিহু আৰু হাজংসকলৰ লেৰা টনা বিহু ঃ এটি সম্যক আলোচনা
  *ড° হৰ কুমাৰ নাথ* — ১৮
- ৰামধেনুত প্ৰকাশিত নিৰুপমা বৰগোহাঞিৰ চুটিগল্প
  *ড° প্ৰাপ্তি ঠাকুৰ* — ২২
- টাংচা-সংস্কৃতি - এটি চমু অৱলোকন
  *ড° ৰুণজুন শইকীয়া* — ৩২
- নাৰেঙ্গী অঞ্চলৰ কাৰ্বিসকলৰ 'জহং' আৰু 'দেহাল' পূজা
  *ড° নীৰা দাস* — ৩৫
- অসমীয়া সমাজ আৰু সাহিত্যত নাৰীৰ স্থান ঃ এটি চমু অৱলোকন
  *ড° মীনাক্ষী তামুলী* — ৪০
- মহিলা সৱলীকৰণ এক প্ৰত্যাহ্বান
  *কবিতা মেধি* — ৪৪
- লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যঙ্গৰীতিৰ প্ৰসংগ
  *অৰ্চনা হাজৰিকা* — ৪৭
- মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত প্ৰতিফলিত নিম্নবৰ্গীয় সমাজ
  *শিখা শৰ্মা* — ৫১
- ৰাজমোহন নাথৰ শংকৰদেৱ চৰ্চা
  *নাৰায়ণ সূত্ৰধৰ* — ৫৬
- অসমীয়া লোকসাহিত্যত সাধুকথা ঃ এটি অধ্যয়ন
  *কোকিল ডেকা* — ৬২



Principal
Mayang Anchalik College
Date..................

# অসমীয়া সমাজ আৰু সাহিত্যত নাৰীৰ স্থান ঃ এটি চমু অৱলোকন

ড° মীনাক্ষী তামুলী

*সহকাৰী অধ্যাপিকা, মায়ং আঞ্চলিক মহাবিদ্যালয়*

***Abstract :*** *The place of women in the Assamese society is very high. Since the early times Assamese women has been getting higher place in every socio-cultural organisation. In this paper the researcher tries to focus few areas of Assamese women in respect to society and Literature in disruptive approach.*

**প্ৰস্তাৱনা ঃ**

এটা জাতিৰ সভ্যতা নিৰূপণৰ ক্ষেত্ৰত সেই জাতিটোৰ মহিলাৰ স্থান কেনে সেইটোৰ ওপৰতো অত্যধিক গুৰুত্ব দিয়া হয়। অৰ্থাৎ সেই জাতিটো সু-সভ্য নে তাক তুলনা কৰা হয় জাতিটোত মহিলাৰ স্থানৰ ওপৰত নিৰ্ভৰ কৰি। নাৰীৰ বহুকেইটা ৰূপ আছে যেনে কন্যা, মাতৃ, ভগ্নী আনকি বিধৱাটোও নাৰীৰ এটা ৰূপ। এই আটাইবোৰ ৰূপতে মহিলাক সন্মান কৰা হৈছে নে নাই সেইটোৰ ওপৰতে জাতিটোৰ সভ্যতা নিৰ্ভৰ কৰে।

অতি প্ৰাচীন কালৰ পৰাই নাৰীক বজাৰৰ সামগ্ৰীৰূপে বা পণ্য সামগ্ৰীৰূপে গণ্য কৰা হৈ আহিছে। নাৰীক যুদ্ধৰ সামগ্ৰী হিচাপেও দান কৰা দেখা যায়; অৰ্থাৎ ৰজা-মহাৰজাক পুৰস্কাৰস্বৰূপে প্ৰদান কৰা দেখা যায়। আনহাতে বিবাহৰ জৰিয়তে অৰ্দ্ধাঙ্গিনীৰ মৰ্যাদা দিয়া হয়।

**প্ৰাচীন যুগ ঃ**

প্ৰাচীন কালত কন্যাসন্তান বোজা স্বৰূপ আছিল। অকল প্ৰাচীন কালতে নহয় বৰ্তমান কালতো বহু ঠাইত কন্যাক বোজা জ্ঞান কৰা হয়। নিৰাপত্তা, যৌতুক প্ৰথা, শিক্ষা প্ৰদান আদিৰ বাবে বোজা গণ্য কৰা হয়। তুলি তালি আন এদিন ঘৰলৈ পঠিয়াই দিয়া হয়। খাদ্যৰ ক্ষেত্ৰতো পুৰুষৰ লগত নাৰীক তাৰতম্য কৰা দেখা যায় বাবে শাৰীৰিক শক্তিটো পিছপৰা। এই কথাবোৰৰ বাবে বৰ্তমান একহাজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ অনুপাত মাত্ৰ আঠশ চল্লিশগৰাকীহে আছে ভাৰতত। পঞ্চতন্ত্ৰত কৈছে কন্যাৰ পিতৃত্ব কষ্টদায়ক; কুমাৰ সম্ভৱত কৈছে 'কন্যায়ং কুল জীৱিতম', ব্ৰহ্মা সংহিতাত কৈছে পুত্ৰ পৰিয়ালৰ আশা - কিন্তু কন্যা বোজা। মহাভাৰত-ৰামায়ণতো একে। মনু সংহিতাতো আৰু এখোপ চৰা। নাৰী তিনিওকালতে পুৰুষৰ অধীন বুলি কোৱা হৈছে।

দ্ৰৌপদী - সীতা দুয়ো লাঞ্ছিতা, অপমানিতা। দ্ৰৌপদী ৰাজসভাত লাঞ্ছিতা আৰু সীতা বনবাসত। ৰাম প্ৰকৃততেই মৰ্যাদা পুৰুষোত্তম আছিল কাৰণ সেই সময়ৰ নীতিত আছিল ৰাম। প্ৰকটনীতি-পৰায়ণ হোৱা



Principal
Mayang Anchalik College
Date..................